# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-10-2023
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
Headlines

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি বিয়লি নতুন দিল্লীৰ মেজৰ ধ্যানচান্দ ষ্টেডিয়ামত এছিয়ান গেমছত অংশগ্ৰহণকাৰী ভাৰতীয় খেলুৱৈৰ সৈতে মত বিনিময়।

২। পথ সংযোগ উন্নীতকৰণৰ বাবে এহেজাৰ কিলোমিটাৰ পথ প্ৰকল্প, নতুন কাৰ্যালয় ভৱনৰ বাবে অতিৰিক্ত অনুমোদন, গ্ৰাম্য পথ আৰু দলঙৰ বাবে নাবাৰ্ডৰ পৰা ঋণ গ্ৰহণকে ধৰি কেবিনেটৰ কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ।

৩। ৰাজ্যৰ সকলো অঞ্চলৰ পৰা শীঘ্ৰেই সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আশা প্ৰকাশ।

৪। ২০২৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া পৰীক্ষাৰ্থীৰ বাবে অনলাইন প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ।

৫। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি মানসিক স্বাস্থ্য দিৱস পালন।

*আৰু*

৬। আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দুখন খেলত আজি ইংলেণ্ড বাংলাদেশৰ আৰু শ্ৰীলংকা পাকিস্তানৰ মুখামুখি।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি নতুন দিল্লীৰ মেজৰ ধ্যানচান্দ ষ্টেডিয়ামত এছিয়ান গেমছত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈসকলৰ সৈতে মত বিনিময় কৰিব। চলিত বৰ্ষৰ এছিয়াডত ভাৰতীয় খেলুৱৈসকলৰ অভূতপূৰ্ব কৃতিত্বৰ বাবে তেওঁলোকক অভিনন্দন জনোৱাৰ লগতে ভৱিষ্যতৰ প্ৰতিযোগিতাসমূহৰ বাবে উৎসাহিত কৰাৰ প্ৰয়াসস্বৰূপে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে এইবাৰৰ এছিয়ান গেমছত ভাৰতে ২৮ টা স্বৰ্ণসহ মুঠ ১০৭ টা পদক লাভ কৰিছে। পদকৰ সংখ্যাৰ ক্ষেত্ৰত এয়া ভাৰতৰ এছিয়ান গেমছত সৰ্বোত্তম প্ৰদৰ্শন। এই মত বিনিময় অনুষ্ঠানত এছিয়াডত অংশ লোৱা ভাৰতীয় খেলুৱৈ, প্ৰশিক্ষক, ভাৰতীয় অলিম্পিক সংস্থাৰ বিষয়া, ৰাষ্ট্ৰীয় ক্ৰীড়া সংস্থাৰ প্ৰতিনিধিৰ লগতে যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ বিষয়াসকলে অংশগ্ৰহণ কৰিব।

০০০০০০০০

অসম মন্ত্ৰীসভাৰ কালি অনুষ্ঠিত বৈঠকত পথ সংযোগ উন্নীতকৰণৰ বাবে ৩ হাজাৰ কোটি টকা ব্যয়েৰে এহেজাৰ কিলোমিটাৰ পথ প্ৰকল্প, কৰ আয়ুক্তৰ অধীনত নতুন কাৰ্যালয় ভৱনৰ বাবে অতিৰিক্ত অনুমোদন, ৯০টা গ্ৰাম্য পথ আৰু ৪ খন দলঙৰ উন্নীতকৰণৰ বাবে নাবাৰ্ডৰ পৰা ঋণ গ্ৰহণকে ধৰি কেইবাটাও

গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকে কৰ আয়ুক্তৰ অধীনত নতুন কাৰ্যালয় ভৱন নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ অতিৰিক্ত কামৰ বাবে এঘাৰ কোটি ৯১ লাখ টকাৰ অতিৰিক্ত অনুমোদন জনায়। এই নতুন কাৰ্যালয় ভৱনটো আপগ্ৰেডেড লেন, প্ৰেক্ষাগৃহ, কনফাৰেন্স হল আদি অত্যাধুনিক সুবিধা সম্পন্ন হ'ব। কেবিনেটে লগতে ছিপাঝাৰত সামগ্ৰিক নগৰ বিকাশ নিশ্চিত কৰিবলৈ আৰু উন্নয়নমূলক আঁচনি ৰূপায়ণৰ বাবে ষষ্ঠ অসম ৰাজ্যিক বিত্ত আয়োগৰ অধীনত প্ৰকল্প আৰম্ভণিৰ বাবে ছিপাঝাৰ পৌৰসভা পুঁজিৰ ব্যৱস্থাত অনুমোদন জনায়। তদুপৰি অসম চৰকাৰৰ আৰ আই ডি এফ অনুমোদিত প্ৰকল্পৰ বাবে নাবাৰ্ডৰ পৰা ৯৫০ কোটি ৪৩ লাখ টকা ঋণ সংগ্ৰহত বৈঠকে অনুমোদন জনাইছে। ইয়াৰ লগতে আনুমানিক ৩ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে অসম মালাৰ অধীনত নতুন এহেজাৰ কিলোমিটাৰ পথ প্ৰকল্প, হাইস্পীড ইক'নমিক ক'ৰিডৰৰ বাবে নীতিগত অনুমোদন জনায়।

আনহাতে, উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি বন্য প্ৰাণী অভয়াৰণ্যৰ চাৰিওফালে এক কিলোমিটাৰ দূৰত্বৰ বাবে তিনিচুকীয়াৰ ভেৰজান বৰাজান পদুমণি বন্য প্ৰাণী অভয়াৰণ্য তথা পৰিবেশ সংবেদনশীল অঞ্চল হিচাপে ঘোষণা কৰিবলৈ সংশোধিত খচৰা অধিসূচনাত বৈঠকে অনুমোদন জনায়। তদুপৰি চলিত বছৰৰ নৱেম্বৰ, ডিচেম্বৰ আৰু জানুৱাৰীত ক্ৰমে তিনিচুকীয়া, উত্তৰ লখিমপুৰ আৰু নগাওঁত কেবিনেট বৈঠক অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ দিয়া হয়। জিলা আয়ুক্তসকলক কেবিনেট বৈঠকৰ বাবে ব্যয় ৫ লাখলৈ সীমিত কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

oooooooo

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ সকলো অঞ্চলৰ পৰা শীঘ্ৰেই সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰা হ'ব বুলি আশা প্ৰকাশ কৰিছে। নাৰেঙ্গী মিলিটাৰী ষ্টেছনত বীৰ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি উন্মোচন কৰি দিয়া ভাষণত কালি মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে বৰ্তমান আফস্পা বলবৎ হৈ থকা ৪ খন জিলাত অহা ছমাহত কেন্দ্ৰীয় চৰকাৰে পৰিস্থিতি পৰ্যালোচনা কৰি আইনখন প্ৰত্যাহাৰৰ সিদ্ধান্ত গ্ৰহণ কৰিব। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ৰাজ্য চৰকাৰ আৰু সেনা বাহিনীৰ মাজত প্ৰাক্তন সেনা বাহিনীৰ লোক আৰু তেঁওলোকৰ পৰিয়ালৰ দক্ষতা বিকাশৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ডঃ শৰ্মাই ৰাজ্যখনত শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত সেনা বাহিনীয়ে গ্ৰহণ কৰা ভূমিকাৰ শলাগ লয়। তেওঁ কয় যে ৰাজ্যখনলৈ সুস্থিৰ অৱস্থা ঘূৰাই অনাৰ ক্ষেত্ৰত প্ৰায় ৪ টা দশক ধৰি সেনা বাহিনীয়ে ত্যাগ স্বীকাৰ কৰি আহিছে। ইয়াৰ বাবে অসমৰ লোকসকল তেওঁলোকৰ ওচৰত ঋণী হৈ থাকিব বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। অনুষ্ঠানত মন্ত্ৰীজয়ন্ত মল্ল বৰুৱা, বিমল বৰা, সেনাৰ ইষ্টাৰ্ণ কমাণ্ডাৰ জি অ' চি ইনচি, লেফটেনেণ্ট ৰাণা প্ৰতাপ কলিতা, লেফটেনেণ্ট জেনেৰেল সঞ্জয় মালিকৰ উপৰি শীৰ্ষ সেনা বিষয়াসকলে অংশগ্ৰহণ কৰে।

oooooooo

২০২৪ বৰ্ষৰ হাইস্কুল শিক্ষান্তত অৱতীৰ্ণ হ'বলগীয়া পৰীক্ষাৰ্থীসকলৰ বাবে অনলাইন প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই সন্দৰ্ভত পৰিষদে জাৰি কৰা নিৰ্দেশনা অনুসৰি অহা ৩১ অক্টোবৰলৈকে অনলাইন প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া চলি থাকিব। পৰিষদে ইতিমধ্যে ঘোষণা কৰা অনুসৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথমবাৰৰ বাবে অ' এম আৰ ছীট ব্যৱহাৰ কৰা হ'ব। ছাত্ৰ-ছাত্ৰীসকলক বস্তুধৰ্মী প্ৰশ্নৰ উত্তৰ কৰাৰ বাবে অ' এম আৰ ছীট প্ৰদান কৰা হ'ব। ইংৰাজী, সাধাৰণ গণিত, সাধাৰণ বিজ্ঞান আৰু সমাজ বিজ্ঞান বিষয়কেইটাৰ ক্ষেত্ৰত মুঠ ৫০ শতাংশকৈ বস্তুধৰ্মী প্ৰশ্ন থাকিব। একোটা প্ৰশ্নৰ বিপৰীতে এক নম্বৰকৈ থাকিব আৰু এগৰাকী

পৰীক্ষাৰ্থীক এখন অ' এম আৰ ছীট প্ৰদান কৰা হ'ব। বাকী ৫০ শতাংশ প্ৰশ্নৰ উত্তৰ কৰাৰ বাবে শিক্ষাৰ্থীসকলক ১৬ পৃষ্ঠাৰ উত্তৰবহী প্ৰদান কৰা হ'ব।

উল্লেখযোগ্য যে অসম মাধ্যমিক শিক্ষা পৰিষদে প্ৰকাশ কৰা সময় সূচী অনুসৰি অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা ৪ মাৰ্চলৈকে এই পৰীক্ষা অনুষ্ঠিত হ'ব। অৱশ্যে মূল পৰীক্ষাৰ পূৰ্বে পৰিষদে অহা ২ আৰু ৩ ফেব্ৰুৱাৰীত ব্যৱহাৰিক পৰীক্ষাসমূহ অনুষ্ঠিত কৰিব।

০০০০০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত অহা ২৫ অক্টোবৰৰ পৰা ২০২৪ বৰ্ষৰ ৭ ফেব্ৰুৱাৰীলৈ অসম সাংস্কৃতিক মহাসংগ্ৰামৰ আয়োজন কৰা হৈছে। এই উপলক্ষে আজি দিছপুৰৰ জনতা ভৱনৰ মুখ্যমন্ত্ৰীৰ সভাকক্ষত বিয়লি ৩ বজাত সাংস্কৃতিক মহা-সংগ্ৰামৰ স্মৃতিচিহ্ন, প্ৰতীক চিহ্ন, শীৰ্ষ গীত, প'ৰ্টেল আৰু বিচাৰকৰ সামগ্ৰীৰ উন্মোচনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে সাংস্কৃতিক মহাসংগ্ৰাম কাৰ্যসূচীৰ অধীনত প্ৰতিখন গাঁও পঞ্চায়ত, ৱাৰ্ড, ভি চি ডি চি আৰু এম এ চি পৰ্যায়ত জ্যোতি সংগীত, ৰবীন্দ্ৰ সংগীত, বিষ্ণুৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, বিহু নৃত্য আৰু অসমৰ লোকনৃত্যৰ বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে বয়সৰ সময়সীমা ক-শাখাৰ বাবে ১২ৰ পৰা ১৮ বছৰ, খ-শাখাৰ বাবে ১৯ৰ পৰা ২৪ বছৰ আৰু গ-শাখাৰ বাবে ২৫ৰ পৰা ৩৫ বছৰ হ'ব লাগিব।

আগ্ৰহী প্ৰতিযোগীসকলে অফলাইন আবেদন-পত্ৰ directorculture.assam.gov.in ৰ পৰা ডাউনলোড কৰি আজিৰ ভিতৰত পঞ্চায়তৰ কাৰ্যালয়, পৌৰ সভাৰ কাৰ্যালয় অথবা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত জমা দিব লাগিব।

০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ চিৰাং জিলাত এখন গণসমাবেশত অংশগ্ৰহণ কৰিব। এই উপলক্ষে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে যোৱা নিশা গণসমাৰেশ অনুষ্ঠিত হ'ব লগা স্থান পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগাৰীকয়ে চিৰাঙত উপস্থিত হৈ বিজনী মহকুমাৰ কুকলুঙত এখন নৱনিৰ্মিত পকী দলং মুকলি কৰিব। লগতে জিলাখনৰ বাসুগাঁও চহৰত নিৰ্মাণ কৰি উলিওৱা ৰে'লৰে উৰণ সেতু মুকলি কৰাৰ উপৰি কাজল গাঁৱত জিলা ক্ৰীড়া ষ্টেডিয়ামৰ আধাৰশিলা স্থাপন আৰু জলজীৱন মিছন প্ৰকল্পৰ উদ্বোধন কৰিব।

০০০০০০০০

আজি বিশ্ব মানসিক স্বাস্থ্য দিৱস। 'মানসিক স্বাস্থ্য এটা সাৰ্বজনীন মানৱ অধিকাৰ' - মূলমন্ত্ৰৰে প্ৰতিজন ব্যক্তিৰ মানসিক স্বাস্থ্যক সুৰক্ষা দিয়া তথা এই সন্দৰ্ভত জ্ঞান আৰু সজাগতা বৃদ্ধিৰ লক্ষ্যৰে প্ৰতিবছৰৰ ১০ অক্টোবৰত বিশ্ব মানসিক স্বাস্থ্য দিৱস পালন কৰা হয়। এই বছৰৰ বিশ্ব মানসিক স্বাস্থ্য দিৱসৰ মূলমন্ত্ৰ হৈছে - 'আমাৰ মন, আমাৰ অধিকাৰ'। মানসিক স্বাস্থ্যৰ অৱনতি হোৱাৰ ফলত স্কিজ'ফ্ৰেনিয়া, বাইপোলাৰ এফেক্টিভ ডিছঅৰ্ডাৰ, হতাশা,  আত্মহত্যাৰ প্ৰৱণতা আদিৰ দৰে মানসিক ৰোগ হ'ব পাৰে। অন্যান্য ৰোগৰ দৰে মানসিক ৰোগৰ ক্ষেত্ৰতো চিকিৎসা আৰু যতনৰ প্ৰয়োজন। এনে ৰোগ সম্বন্ধীয় যিকোনো সমস্যাৰ বাবে জনসাধাৰণে নিকটৱৰ্তী জিলা মানসিক স্বাস্থ্য কোষৰ সৈতে যোগাযোগ কৰাৰ লগতে ১৪৪১৬ হেল্পলাইন নম্বৰতো যোগাযোগ কৰিব পাৰে।

০০০০০০০০

উত্তৰ ছিকিমত ডাৱৰ বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা প্ৰলয়ংকাৰী বানত মৃত্যু হোৱা লোকৰ সংখ্য ৩৬ জনলৈ বৃদ্ধি পাইছে। ইয়াৰে ১০ গৰাকী হৈছে ভাৰতীয় সেনা জোৱান। ছিকিম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধীকৰণে জনোৱা মতে বৰ্তমানেও ৮০ জন লোক সন্ধানহীন হৈ আছে।

ইফালে এই প্ৰাকৃতিক দুৰ্যোগত মৃত্যু হোৱা অসমৰ সেনা জোৱান মিতু কলিতাৰ বাসগৃহত কালি নিশা বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত হয়। বাসগৃহত উপস্থিত হৈয়ে প্ৰমোদ বড়োৱে ছহিদ গৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

০০০০০০০০

কামৰূপ জিলাৰ সংহত জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত আজি জিলাখনৰ প্ৰসূতিৰ মৃত্যুৰ হাৰ ৰোধ কৰাৰ বাবে গ্ৰহণ কৰা শুশ্ৰূষা শীৰ্ষক এখন পৰীক্ষামূলক আঁচনি আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব। জিলা আয়ুক্তই এই আঁচনিখন মুকলি কৰিব। অনুষ্ঠানত কাম জিলা যুটীয়া স্বাস্থ্য বিষয়া, জিলা প্ৰকল্প প্ৰৱন্ধককে ধৰি কেইবাগৰাকী ব্যক্তি উপস্থিত থাকিব।

০০০০০০০০

মহিলা আৰু শিশু উন্নয়নমন্ত্ৰী স্মৃতি ইৰাণীয়ে আজি নতুন দিল্লীত শিশু পুষ্টিহীনতা ব্যৱস্থাপনাৰ বাবে নিৰ্দেশাৱলী মুকলি কৰিব। ইয়াৰ জৰিয়তে অংগনবাড়ী পৰ্যায়ত পুষ্টিহীন শিশুৰ চিনাক্তকৰণ তথা পৰৱৰ্তী ব্যৱস্থাপনাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰা হ'ব। দেশজুৰি মহিলা আৰু শিশু উন্নয়ন তথা স্বাস্থ্য বিভাগৰ জ্যেষ্ঠ বিষয়াসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

০০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে বিশ্বনাথ, হোজাই আৰু তামুলপুৰ জিলাৰ পৰা অংশকালীন সংবাদদাতা পদৰ বাবে আবেদন বিচাৰিছে। আগ্ৰহী প্ৰাৰ্থীয়ে ২০ অক্টোবৰৰ ভিতৰত আবেদন-পত্ৰ জমা দিব পাৰিব। প্ৰাৰ্থী স্নাতকোত্তৰ ডিপ্লমা, সাংবাদিকতাৰ স্নাতক বা স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। বয়স ২৪ৰ পৰা ৪৫ বছৰৰ ভিতৰত হ'ব লাগিব। লগতে প্ৰাৰ্থী জিলা মুখ্য কাৰ্যালয়ৰ পৰা ১০ কিলোমিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত থকা হ'ব লাগিব। ইয়াৰ লগতে প্ৰাৰ্থীৰ ন্যূনতম দুবছৰৰ সাংবাদিকতাৰ অভিজ্ঞতা থকা হ'ব লাগিব। আগ্ৰহী প্ৰাৰ্থীয়ে WWW.NEWSONAIR.GOV.IN ত এই বিষয়ে সবিশেষ তথ্য লাভ কৰাৰ লগতে ইয়াৰ বাবে প্ৰয়োজনীয় আবেদন পত্ৰ ডাউনলʼড কৰিব পাৰিব। ইচ্ছুক প্ৰাৰ্থীয়ে একপি পাছপৰ্ট আকাৰৰ ফটোসহ স্ব-প্ৰত্যায়িত নথি ২০ অক্টোবৰৰ ভিতৰত ডাকযোগে অথবা নিজে আকাশবাণী গুৱাহাটীৰ চানমাৰি কাৰ্যালয়ত জমা দিব লাগিব। আবেদনপত্ৰসমূহ Head Of Office, **আকাশবাণী গুৱাহাটী, চানমাৰি, গুৱাহাটী-৭৮১০০৩**লৈ প্ৰেৰণ কৰিব লাগিব।

০০০০০০০০

ক'ল ইণ্ডিয়া লিমিটেডে অহা ৩ ডিচেম্বৰত গুৱাহাটীৰ হাফ মাৰাথনৰ আয়োজন কৰিছে। 'আমাৰ ৰান আমাৰ উৎসৱ' শীৰ্ষক এই হাফ মাৰাথনত অংশগ্ৰহণৰ বাবে পঞ্জীয়ন ইতিমধ্যে আৰম্ভ হৈছে। আগ্ৰহীসকলে *www.coalindiaguwahatihalfmarathon.in* ত পঞ্জীয়ন কৰিব পাৰিব।

০০০০০০০০

আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ধৰমশালাত দিনৰ চাৰে ১০ বজাত হ'বলগীয়া এখন খেলত ইংলেণ্ড বাংলাদেশৰ আৰু হায়দৰাবাদত দিনৰ ২ বজাত হ'বলগীয়া আন এখন খেলত শ্ৰীলংকা পাকিস্তানৰ মুখামুখি হ'ব।

নিউজিলেণ্ডে যোৱানিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত নেডাৰলেণ্ডছক  ৯৯ ৰানত পৰাস্ত কৰে।

আনহাতে, ভাৰত কাইলৈ প্ৰতিযোগিতাৰ নিজৰ দ্বিতীয়খন খেলত আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া খেলখনত ভাগ লোৱাৰ বাবে ভাৰতীয় দলটো কালি দিল্লীত উপস্থিত হৈছে।

oooooooo

ৰাজ্যৰ প্ৰবীণ ক্ৰীড়া সংগঠক, শিক্ষাবিদ, সমাজকৰ্মী সহজানন্দ ওজাৰ কালি নিশা নগাঁৱৰ নিজা বাস ভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। নগাঁৱৰ  আনন্দৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ গৰাকীয়ে ১৯৭৭ চনৰ পৰা ১৯৮৬ চনলৈকে অসম ক্ৰিকেট সংস্থাৰ সম্পাদক হিচাপে কাৰ্য নিৰ্বাহ কৰিছিল। তেওঁৰ কাৰ্যকালতে ১৯৮৩ চনৰ ১৭ ডিচেম্বৰত ভাৰত আৰু ৱেষ্টইণ্ডিজৰ মাজত গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট খেল অনুষ্ঠিত হৈছিল।  তদুপৰি ৮০'ৰ দশকত ভাৰতীয় দলৰ টীম মেনেজাৰ হিচাপে সহজানন্দ ওজা পাকিস্তান ভ্ৰমণলৈ গৈছিল। তদুপৰি প্ৰয়াত সহজান্দ ওজাই নতুন দৈনিক নামৰ এখন অসমীয়া দৈনিক কাকতত ক্ৰীড়া সাংবাদিক হিচাপে সেৱা আগবঢ়াইছিল। নগাঁৱৰ কলেজ অব এডুকেশ্যচনৰ প্ৰতিষ্ঠাপক সভাপতি ওজাৰ মৃত্যুত সমগ্ৰ ৰাজ্যতে শোকৰ ছাঁ পৰিছে। ক্ৰীড়া সংগঠকগৰাকীৰ মৃত্যুত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মাই শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমৱেদনা জ্ঞাপন কৰে।

oooooooo

গুৱাহাটীৰ কাহিলীপাৰাৰ সাংবাদিক কলনিৰ নিবাসী, অসম সচিবালয়ৰ অৱসপ্ৰাপ্ত কৰ্মচাৰী আনন্দ বৰাৰ কালি নিশা নিজ বাসগৃহত মৃত্যু হয়। দীৰ্ঘদিন ধৰি চিকিৎসাধীন হৈ থকা বৰাৰ বয়স আছিল ৭৩ বছৰ।

oooooooo

<u>Newspaper Review 10-10-2023 Morn.)</u>

ইজৰাইল-পেলেষ্টাইনৰ যুযুধানৰূপ, ৫ ৰাজ্যৰ নিৰ্বাচনৰ দিন ঘোষণা, অৰ্থনীতিৰ ন'বেল বঁটা প্ৰাপকৰ নাম ঘোষণা, হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সূচী ঘোষণা আদি বিভিন্ন বাতৰিয়ে গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰধান বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা দেখা গৈছে।

নতুন দিল্লীত কালি মুখ্য নিৰ্বাচনী আয়ুক্ত ৰাজীৱ কুমাৰে ৫ ৰাজ্যৰ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ বাতৰিটো আজি নিয়মীয়া বাৰ্তা কাকতে **লোকসভাৰ ছেমিফাইনেলৰ দামামা বাজিল** শিৰোনামেৰে প্ৰথম পষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। দৈনিক অসম কাকতৰ বাতৰিটোৰ শিৰোনাম **পাঁচ ৰাজ্যত নিৰ্বাচনী দুন্দুভী ঃ চৰকাৰ আমাৰেই, শাসক বিৰোধী আত্মবিশ্বাসী**। দি আছাম ট্ৰিবিউন কাকতৰ বাতৰিটোৰ শিৰোনাম EC announces Assembly Polls in five states। অসমীয়া প্ৰতিদিন কাকতে এই বাতৰিটোৰ সমান্তৰালকৈ এ বি পি-চি ভোটাৰৰ প্ৰাক নিৰ্বাচনী সমীক্ষাক লৈ প্ৰস্তুত কৰা এটা বিতং বাতৰি **পাঁচ ৰাজ্যৰ চাৰিখনতে কংগ্ৰেছৰ শক্তিশালী উত্থান** শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। পেলেষ্টইনী উগ্ৰপন্থী সংগঠন হামাছে ইজৰাইলত আক্ৰমণ কৰাৰ পিছত ইজৰাইৰ প্ৰত্যাক্ৰমণ আৰু ইয়াৰ পৰিস্থিতিকলৈ প্ৰস্তুত কৰা এটা বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থান দিছে। বাতৰিটোৰ শিৰোনাম **ইজৰাইল-পেলেষ্টাইনৰ যুযুধানৰূপ ঃ খাদ্য, পানী, বিদ্যুৎ বন্ধ কৰিলে গাজাৰ**। আমাৰ অসম কাকতৰ বাতৰিটোৰ শিৰোনাম **গাজা দখল কৰি হামাছ উৎখাত অভিযান**। দৈনিক জনমভূমি কাকতে ইজৰাইল-

পেলেষ্টাইনৰ যুদ্ধক লৈ ভাৰতৰ স্থিতিৰ সন্দৰ্ভত **মধ্যপ্ৰাচ্যৰ যুদ্ধক লৈ বিভাজিত ভাৰত, চি ডব্লিউ চিৰ বৈঠকত পেলেষ্টাইনিক সমৰ্থন** শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। অসমীয়া খবৰ কাকতে মেট্ৰিকৰ সূচী ঘোষণা আৰু মাৰ্কিন অৰ্থনীতিবিদ ক্ল'ডিয়া গল্ডিনলৈ অৰ্থনীতিৰ ন'বেল বঁটা আগবঢ়োৱা বাতৰি দুটা প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা অন্যান্য বাতৰিৰ ভিতৰত আছে – ১৫ অক্টোবৰত কাজিৰঙা পৰ্যটকৰ বাবে মুকলি, ধান-মাহৰ ৬টা জাতলৈ সৰ্বাভাৰতীয় অনুমোদন, নাৰেংগীৰ সেনা চাউনীত লাচিতৰ প্ৰতিমূৰ্তি উন্মোচন, ছিকিমৰ ভয়াবহ  পৰিস্থিতিৰ পৰা অসমত উপস্থিত ১৩০ ছাত্ৰ-ছাত্ৰী, ইজৰাইলৰ চোৰাংচোৰা সংস্থা মোছাডৰ গাত ব্যৰ্থতাৰ দাগ, শ্বাহৰুক খানক ৱাইপ্লাছ্ নিৰাপত্তা ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০০

**সমাপ্ত**